# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *Headlines*

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত কয় যে উত্তৰ পূৰ্বাঞ্চলত সম্প্ৰতি কফি খেতি জনপ্ৰিয় হৈছে আৰু উত্তৰ-পূবৰ কফিয়ে বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাত ভূমিকা ল'ব।

২। প্ৰধানমন্ত্ৰীয়ে কয় যে ১৫০ বছৰ পূৰ্বে ৰচিত ভাৰতৰ জাতীয় গীত বন্দে মাতৰমে সমগ্ৰ ভাৰতবাসীক ঐক্যবদ্ধ কৰিছিল।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দুদিনীয়া ভ্ৰমণসূচীৰে ছিচেলছলৈ ৰাওনা হৈছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট্ মহাপৰ্বৰ খৰনা পূজা উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

*আৰু*

৫। বিহাৰ বিধান সভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

০০০০০০

ভাৰতৰ কফিৰ জনপ্ৰিয়তা বৰ্তমান বিশ্বজুৰি বাঢ়ি আহিছে। উত্তৰ পূৰ্বাঞ্চলতো সম্প্ৰতি কফি খেতি জনপ্ৰিয় হৈছে আৰু উত্তৰ-পূবৰ কফিয়ে বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাত ভূমিকা ল'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মাহেকীয়া মন কী বাত অনুষ্ঠানত আজি এইদৰে কয়। দেশ-বিদেশৰ শ্ৰোতাসকলৰ সৈতে মত-বিনিময় কৰি আজিৰ মন কী বাতত প্ৰধানমন্ত্ৰীয়ে ওড়িশাৰ কোৰাপুট কফিৰ বিশেষ উল্লেখ কৰে। কোৰাপুট কফিৰ সোৱাদ অপূৰ্ব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনৰ এই অঞ্চলটোৰ বাসিন্দাসকল কফি খেতিৰ জৰিয়তে অত্যন্ত লাভান্বিত হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে কোৰাপুটৰ বহু লোকে চাকৰি বাদ দি বৰ্তমান কফি খেতি কৰি সাফল্য লাভ কৰিছে। কফি খেতিত জড়িত হৈ অঞ্চলটোৰ বহু মহিলাৰ জীৱনলৈ অৰ্থনৈতিক পৰিৱৰ্তন আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কোৰাপুট কফিক ওড়িশাৰ গৌৰৱ হিচাপে অভিহিত কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতৰ বিভিন্ন ঠাইত হোৱা কফিৰ সোৱাদ বেলেগ বেলেগ।

আজিৰ অনুষ্ঠানৰ প্ৰথমতেই প্ৰধানমন্ত্ৰীয়ে বিহাৰৰ প্ৰধান উৎসৱ ষট্ পূজাৰ বিষয়ে উল্লেখ কৰি কয় যে এই উৎসৱে সংস্কৃতি, প্ৰকৃতি আৰু সমাজৰ গভীৰ একতাবোধক প্ৰতিফলন কৰে। তেওঁ সমগ্ৰ দেশবাসীৰ লগতে বিশেষকৈ বিহাৰ, ঝাৰখণ্ড আৰু পূৰ্বাঞ্চলৰ লোকসকলক ষট্ পূজাৰ আন্তৰিক শুভেচ্ছা জনায়।

অপাৰেচন সিন্দূৰে প্ৰতিগৰাকী ভাৰতীয়ক গৌৰৱান্বিত কৰিলে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এইবাৰৰ দীপাৱলীত এসময়ত মাওবাদী সন্ত্ৰাসৰ প্ৰভাৱ থকা অঞ্চলতো চাকিৰ পোহৰে উৎসৱমুখৰ

পৰিবেশৰ সৃষ্টি কৰিছে। উৎসৱৰ বতৰত থলুৱা সামগ্ৰীৰ আদৰ তথা বিক্ৰী বৃদ্ধি হোৱাৰ কথাত তেওঁ আনন্দ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে চাফ-চিকুণতা সন্দৰ্ভত দেশৰ বিভিন্ন মহানগৰৰ কেতবোৰ প্ৰেৰণাদায়ক কাহিনীৰ অৱতাৰণা কৰে। প্লাষ্টিক আৱৰ্জনা পৰিস্কাৰৰ ক্ষেত্ৰত ছত্তিশগড়ৰ অম্বিকাপুৰৰ বাসিন্দাসকলৰ কথা উল্লেখ কৰে। অম্বিকাপুৰৰ আৱৰ্জনা কাফেসমূহে প্লাষ্টিক আৱৰ্জনাৰ বিনিময়ত সম্পূৰ্ণ আহাৰৰ যোগান ধৰে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এই কাফেসমূহ অম্বিকাপুৰ পৌৰ নিগমৰ অধীনত পৰিচালিত হৈ আছে। হ্ৰদসমূহক নতুন জীৱন দিয়াত অহোপুৰুষাৰ্থ কৰা বেংগালুৰুৰ কপিল শৰ্মাৰ কাহিনীও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কপিল শৰ্মাৰ দলে বেংগালুৰু আৰু উপকণ্ঠ অঞ্চলৰ ৪০টা কুঁৱা আৰু ছটা হ্ৰদ পৰিস্কাৰ কৰিছে। এই অভিযানত তেওঁ কৰ্পোৰেট গোষ্ঠী আৰু স্থানীয় লোককো নিয়োজিত কৰিছে। সাগৰৰ পাৰৰ জলাহ ভূমিৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে সাগৰৰ লুণীয়া পানী আৰু উৰ্বৰ ভূমিত সৃষ্টি হোৱা এই জলাহ ভূমিসমূহ সাগৰীয় পৰিস্থিতিতন্ত্ৰৰ গুৰুত্বপূৰ্ণ অংশ। জলাহ ভূমিসমূহ ছুনামি আৰু সাগৰীয় ধুমুহাৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত সহায়ক বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে যে গুজৰাটৰ বন বিভাগে এনে জলাহ ভূমিৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ অভিযান আৰম্ভ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে যিবোৰ বিষয়ে সমাজৰ হিত সাধন কৰে আৰু উদ্ভাৱনীমূলক কিবা কৰাৰ প্ৰেৰণা যোগায়, তেনে বিষয়সমূহে তেওঁক সদায় আকৃষ্ট কৰি আহিছে। আজিৰ অনুষ্ঠানত তেওঁ পুনৰ ভাৰতীয় প্ৰজাতিৰ কুকুৰ পোহাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰতীয় প্ৰজাতিৰ কুকুৰ স্থানীয় পৰিবেশ পৰিস্থিতিৰ সৈতে সহজে মিলি যাব পাৰে। শ্ৰীমোদীয়ে আনন্দ প্ৰকাশ কৰি কয় যে সীমান্ত সুৰক্ষা বাহিনী, বি এছ্ এফ আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, চি আৰ পি এফে ভাৰতীয় প্ৰজাতিৰ প্ৰশিক্ষিত কুকুৰৰ সংখ্যা বৃদ্ধি কৰিছে। তেওঁ কয় যে গোৱালিয়ৰৰ টেকনপুৰত থকা বি এছ্ এফৰ কুকুৰ প্ৰশিক্ষণ কেন্দ্ৰত উত্তৰ প্ৰদেশৰ ৰামপুৰ হাউণ্ডৰ লগতে কৰ্ণাটক-মহাৰাষ্ট্ৰৰ মুধল হাউণ্ড প্ৰজাতিৰ কুকুৰৰ প্ৰতি বিশেষ মনোযোগ দিয়া হয়। আনহাতে, বেংগালুৰুত থকা চি আৰ পি এফৰ কুকুৰ প্ৰশিক্ষণ কেন্দ্ৰত মংগ্ৰেছ, মুধল হাউণ্ডছ, কম্বাই আৰু পাণ্ডিকোনা প্ৰজাতিৰ কুকুৰক প্ৰশিক্ষণ দিয়া হয়। শ্ৰীমোদীয়ে যোৱা বছৰ লক্ষ্ণৌত সৰ্দৌ ভাৰত আৰক্ষী কৰ্তব্য সমাৰোহত বি এছ্ এফে প্ৰদৰ্শন কৰা ৰিয়া নামৰ আকৰ্ষণীয় কুকুৰটোৰ বিষয়ে উল্লেখ কৰে।

চৰ্দাৰ বল্লভ ভাই পেটেলৰ অহা ৩১ অক্টোবৰত জন্মদিৱস উদযাপন কৰা হ'ব। শ্ৰীমোদীয়ে কয় যে এই উপলক্ষে প্ৰতি বছৰে গুজৰাটৰ একতা নগৰত থকা একতাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই স্থানত একতা দিৱস পেৰেড অনুষ্ঠিত হয় আৰু এই পেৰেডত এইবাৰ ভাৰতীয় কুকুৰৰ যোগ্যতা প্ৰদৰ্শন কৰা হ'ব। তেওঁ কয় যে চৰ্দাৰ পেটেলৰ ১৫০ বছৰীয়া জন্মদিৱস সমগ্ৰ দেশৰ বাবে অতি বিশেষ উৎসৱ হিচাপে পৰিগণিত হৈছে। দেশৰ প্ৰতি চৰ্দাৰ পেটেল আগবঢ়াই যোৱা অৱদানক প্ৰধানমন্ত্ৰীয়ে গভীৰভাৱে স্মৰণ কৰে। দেশৰ আমোলাতন্ত্ৰৰ শক্তিশালী ভেটি নিৰ্মাণ কৰা চৰ্দাৰ পেটেলৰ সোঁৱৰণত ৩১ অক্টোবৰত দেশজুৰি হ'বলগীয়া একতাৰ দৌৰত অংশগ্ৰহণ কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ জাতীয় গীত বন্দে মাতৰমৰ বিশেষ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইয়াৰ ৰচক বংকিম চন্দ্ৰ চট্টোপধ্যায়ে গীতটোৰ জৰিয়তে সমগ্ৰ ভাৰতবাসীক ঐক্যবদ্ধ কৰিছিল। শ্ৰীমোদীয়ে কয় যে যদিও বন্দে মাতৰম ১৯ শতিকাত ৰচিত হৈছিল, তথাপি ইয়াৰ সম্বন্ধ হাজাৰ হাজাৰ বছৰ পুৰণি ভাৰতবৰ্ষৰ সৈতে সংপৃক্ত হৈ আছে। অহা ৭ নৱেম্বৰত বন্দে মাতৰমৰ ১৫০ বছৰীয়া উদযাপনত দেশবাসীয়ে

অংশগ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে ১৫০ বছৰ পূৰ্বে ৰচিত এই গীত ১৮৯৬ চনত কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে প্ৰথমবাৰ গাইছিল।

সংস্কৃত ভাষাৰ বিশেষ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এসময়ত এই ভাষা ভাৰতবৰ্ষৰ সংযোগী ভাষা হিচাপে স্বীকৃত আছিল। সেই সময়ত সকলো ধৰণৰ অধ্যয়ন, গৱেষণাৰ লগতে নাটকৰ প্ৰদৰ্শনো সংস্কৃত ভাষাতে হৈছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। সম্প্ৰতি বিশ্বৰ সংস্কৃতি আৰু সামাজিক মাধ্যমে সংস্কৃতক নতুন জীৱন দিয়াত তেওঁ আনন্দ প্ৰকাশ কৰে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি দুদিনীয়া ভ্ৰমণসূচীৰে ছিচেলছলৈ ৰাওনা হৈছে। ছিচেলছৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতিগৰাকী এই ভ্ৰমণলৈ যাব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয়, যে এই ভ্ৰমণৰ সময়ত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ড০ হাৰ্মিনীক ভাৰতৰ হৈ সম্বৰ্ধনা জ্ঞাপন কৰিব আৰু দুয়োখন দেশৰ মাজৰ দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্পৰ্ক পুনৰ সুদৃঢ় কৰিব। এই ভ্ৰমণে ছিচেলছৰ সৈতে ভাৰতৰ অংশীদাৰিত্ব অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ঝাৰখণ্ডত কালিৰে পৰা চাৰিদিনীয়াকৈ ষট্ মহাপৰ্ব অনুষ্ঠিত হৈছে । কালি "নহাই-খাই" অনুষ্ঠানেৰে এই উৎসৱৰ আৰম্ভণি হয় । আজি দ্বিতীয় দিনা খৰনা পূজা সম্পন্ন কৰা হ'ব। প্ৰকৃতিৰ পূজা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতীক সূৰ্য দেৱতাৰ নামত এই উৎসৱ উচৰ্গা কৰা হয় । ভক্তসকলে আজি সূৰ্যাস্তৰ পাছত খৰনা প্ৰসাদ গ্ৰহণ কৰি পানী নোহোৱাকৈ ৩৬ ঘণ্টীয়া উপবাস আৰম্ভ কৰিব। কাইলৈ নদী বা জলভাগত অৱস্থিত ষট্ ঘাটত অস্তগামী সূৰ্যক অৰ্ঘ্য প্ৰদান কৰা হ'ব। পৰহিলৈ ভক্তসকলে উদিত সূৰ্যক অৰ্ঘ্য আগবঢ়াব আৰু চাৰিদিনীয়া ষট্ উৎসৱৰ সামৰণি পৰিব। ষট্ উৎসৱ উপলক্ষ্যে ৰাঁচীৰ সূৰ্য্য মন্দিৰ সজাই তোলা হৈছে। ইয়াৰ স্বৰ্ণৰেখা নদীৰ ঘাটত ভক্তসকলে সূৰ্য দেৱতাক পূজা কৰে। এই উৎসৱৰ প্ৰস্তুতিৰ বাবে বজাৰসমূহত স্থানীয় সামগ্ৰীৰে ভৰি পৰিছে। ষট্ পূজাত ব্যৱহৃত ফল-মূল, মাটিৰ পাত্ৰ আৰু অন্যান্য সামগ্ৰী ক্ৰয় কৰিবলৈ গ্ৰাহকৰ হেতা-ওপৰা লাগিছে বুলিও আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছঠ মহাপৰ্বৰ দ্বিতীয় দিনা পালন কৰা খৰনা পূজা উপলক্ষে ৰাইজলৈ শুভেচ্ছা জ্ঞাপন কৰিছে । সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে এই উৎসৱৰ বাবে ব্ৰত পালন কৰা আৰু উৎসৱ উদযাপন কৰা সকলোকে শ্ৰদ্ধা জ্ঞাপন কৰে । প্ৰধানমন্ত্ৰীয়ে কয় যে এই উৎসৱ বিশ্বাস আৰু সংযমৰ প্ৰতীক। তেওঁ কয় যে এই উপলক্ষে প্ৰসাদ হিচাপে গুড়েৰে ক্ষীৰ খোৱাৰ পৰম্পৰা আছে।

০০০০০০

প্ৰথম পৰ্যায়ৰ বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সমান্তৰালকৈ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণগতিত চলি আছে । ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অহা ৬ নৱেম্বৰত ১২১টা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'ব আৰু দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অহা ১১ নৱেম্বৰত ১২২টা সমষ্টিত অনুষ্ঠিত হ'ব। বিভিন্ন দলৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰকসকলে আজি কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দিয়াৰ কথা।

ইফালে, প্ৰচাৰৰ সময়ত বিৰোধী দলৰ নেতাসকলে আইন-শৃংখলা, নিবনুৱা সমস্যা, প্ৰব্ৰজন, বিহাৰৰ উন্নয়ন, আৰু অন্যান্য মূল চিন্তাৰ দৰে বিষয়ক লৈ বিভিন্ন অভিযোগ উত্থাপন কৰিছে। ভাৰতীয় জনতা পাৰ্টি, জনতা দল (ইউনাইটেড), ৰাষ্ট্ৰীয় জনতা দল (আৰজেডি), কংগ্ৰেছকে ধৰি বিভিন্ন দলৰ নেতা আৰু তাৰকা প্ৰচাৰকসকল সক্ৰিয়ভাৱে প্ৰচাৰ অভিযানত নিয়োজিত হৈ আছে। জন সূৰাজ, ৰাষ্ট্ৰীয় লোক জনশক্তি পাৰ্টি (আৰ এল জে পি), আৰু বহুজন সমাজ পাৰ্টি (বি এছ পি)য়েও নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

কালি জেডিইউৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এন ডি এৰ প্ৰাৰ্থীৰ সমৰ্থনত কেইবাখনো ৰাজহুৱা সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ অক্টোবৰত ছাপৰা আৰু মুজাফ্ফৰপুৰত নিৰ্বাচনী সভাত ভাষণ দিয়াৰ কথা। মিত্ৰজোটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী প্ৰসাদ যাদৱেও নিজৰ সমষ্টিকে ধৰি কেইবাটাও সমষ্টিত নিৰ্বাচনী সভা অনুষ্ঠিত কৰি আছে। ছঠ মহাপৰ্বৰ পাছত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰু অধিক তীব্ৰতৰ হোৱাৰ সম্ভাৱনা আছে বুলি আমাৰ সংবাদ দাতাই জনাইছে।

০০০০০০

**সমাপ্ত**